# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 28-07-2024
**Time :** 01-40 hrs

## *Assamese Midday Bulletin*
**HEADLINES**

১। অসমৰ ঐতিহাসিক চৰাইদেউ মৈদাম ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাত গৌৰৱ প্ৰকাশ কৰি চৰাইদেউ মৈদামক ভৱিষ্যতে অসম ভ্ৰমণৰ অন্যতম কাৰ্যসূচী হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰ্যটকসকলক আহ্বান জনায়।

২। আকাশবাণী যোগে প্ৰচাৰিত মাহেকীয়া মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে আন্তৰ্জাতিক গণিত অলিম্পিয়াদত অংশগ্ৰহণ কৰি দেশক গৌৰৱান্বিত কৰা অসমৰ আনন্দ ভাদুৰীকে ধৰি অন্যান্য শিক্ষাৰ্থীসকলক প্ৰশংসা কৰিছে।

৩। নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কালিৰে পৰা বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ এখন দুদিনীয়া বৈঠক অনুষ্ঠিত হৈছে। *আৰু*

৪। মহিলাৰ এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

অসমৰ ঐতিহাসিক চৰাইদেউ মৈদাম ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গৌৰৱ প্ৰকাশ কৰিছে। আকাশবাণীযোগে প্ৰচাৰিত মাহেকীয়া মন কী বাত অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰাইদেউ মৈদাম ভাৰতৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে আৰু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো সাংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। এই মৈদামসমূহৰ গুৰুত্ব সন্দৰ্ভত বাখ্যা কৰি শ্ৰীমোদীয়ে কয় যে, চৰাইদেউ আছিল আহোম সাম্ৰাজ্যৰ প্ৰথম ৰাজধানী। আহোম ৰাজবংশই পৰম্পৰাগতভাৱে মৃতদেহ আৰু তেওঁলোকৰ মূল্যবান সা-সম্পত্তিসমূহ মৈদাম সাজি সংৰক্ষণ কৰি ৰাখিছিল। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, মৈদামসমূহ হৈছে মৃত্যু হোৱা আহোম ৰজাসকলৰ লগতে তেওঁলোকৰ কুৰৱিসকল আৰু অন্যান্য গণ্য মান্য লোকসকলৰ স্মৃতিসৌধ। প্ৰধানমন্ত্ৰীয়ে ত্ৰয়োদশ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিলৈকে বৰ্তি থকা আহোম সাম্ৰাজ্যৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে আহোম শাসকসকলৰ নীতি আৰু বিশ্বাস ইমানেই শক্তিশালী আছিল যে ই আহোম ৰাজবংশক দীৰ্ঘদিনৰ বাবে সজীৱ কৰি ৰাখিছিল। শ্ৰীমোদীয়ে এই ছেগতে আহোমৰ মহান বীৰ যোদ্ধা লাচিত বৰফুকনৰ এটা বিশাল প্ৰতিমুৰ্তি চলিত বছৰৰ ৯ মাৰ্চত উদ্বোধন কৰাৰ মুহূৰ্তক স্মৰণ কৰে। তেওঁ কয় যে, লাচিত বৰফুকনৰ মৈদামত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁ প্ৰশান্তি অনুভৱ কৰিছিল। চৰাইদেউ মৈদামক ভৱিষ্যতে অসম ভ্ৰমণৰ অন্যতম কাৰ্যসূচী হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে পৰ্যটকসকলক আহ্বান জনায়।

শ্ৰীমোদীয়ে উল্লেখ কৰে যে, এখন দেশ নিজৰ সংস্কৃতিৰ গৌৰৱবোধৰ জৰিয়তেহে প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰে। এই প্ৰসংগত মেড ইন ইণ্ডিয়াৰ অধীনত গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পত আলোকপাত কৰি তেওঁ ভাৰতৰ ৰাজহুৱা কলা অৰ্থাৎ পাৰি প্ৰকল্পৰ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, পাৰি প্ৰকল্প ৰাজহুৱা কলাক জনপ্ৰিয় কৰি তোলাৰ বাবে শিল্পীসকলক একেখন মঞ্চত সমবেত কৰাৰ ফলপ্ৰসূ মাধ্যম হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে, পথৰ দাঁতি, দেৱাল আদিত পাৰিৰ সৈতে জড়িত শিল্পীসকলে চিত্ৰ অকাত ব্যস্ত হৈ পৰিছে। এই কাৰ্যই কেৱল ৰাজহুৱা স্থানসমূহৰ সৌন্দৰ্য বৰ্ধনেই নহয় বৰং ভাৰতীয় সংস্কৃতিক অধিক জনপ্ৰিয় কৰি তোলাতো সহায় কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। এই ক্ষেত্ৰত তেওঁ দিল্লীৰ ভাৰত মণ্ডপম আৰু সমগ্ৰ দেশৰ উৰণ সেঁতুসমূহৰ উদাহৰণ দিয়ে।

দেশৰ হস্ততাঁত উদ্যোগৰ সন্দৰ্ভত কবলৈ গৈ শ্ৰীমোদীয়ে উন্নতি আত্মসহায়ক গোটত যোগদান কৰা আৰু কাপোৰত ৰঙৰ বাহাৰ তোলা হাৰিয়ানাৰ ৰোহটক জিলাৰ ২৫০ গৰাকী মহিলাৰ কামৰ  ভূয়সী প্ৰশংসা কৰে। এই মহিলাসকলে আত্মসহায়ক গোটত যোগদান কৰি ব্লক প্ৰিণ্টিং আৰু ডায়িঙৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। তেওঁলোকে এতিয়া বিচনা চাদৰ, শাৰী, দোপাট্টা আদি তৈয়াৰ কৰি লাখ লাখ টকা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

দেশত ৭ আগষ্টত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদ্‌যাপন কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে দেশৰ ভিন্ন অংশৰ শিল্পীসকলে হস্ততাঁতক জনপ্ৰিয় কৰাত যোগোৱা অৱদানৰ বাবে সন্তোষ প্ৰকাশ কৰে। তেওঁ এই প্ৰসংগত ওড়িশাৰ সম্বলপুৰী শাৰী, মধ্য প্ৰদেশৰ মহেশ্বৰী শাৰী, মহাৰাষ্ট্ৰৰ পাইথানী, বিদৰ্ভৰ হস্ত ব্লক প্ৰিণ্ট, হিমাচল প্ৰদেশৰ ভূটিকো শ্বল তথা ঊলৰ কাপোৰ আৰু জম্মু কাশ্মীৰৰ কানি শ্বলৰ উদাহৰণ দিয়ে। তেওঁ কয় যে, বহুতো ব্যক্তিগত কোম্পানীও হস্ততাঁত সামগ্ৰীক জনপ্ৰিয় কৰাত অৰিহণা যোগাই আহিছে। তেওঁ হস্ততাঁত সা-সামগ্ৰীক জনপ্ৰিয় কৰি তোলাত ভূমিকা লৈ অহা কোচা এ আই, হেণ্ডলুম ইণ্ডিয়া, ডি জাংক, নভাটেক্স, ব্ৰহ্মপুত্ৰ ফেবলছ্‌কে ধৰি বিভিন্ন ষ্টাৰ্ট আপৰ বিষয়ে উল্লেখ কৰে। বহুতো স্থানীয় লোকেও এনে ধৰণৰ স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীক জনপ্ৰিয় কৰি তোলাত অৰিহণা যোগোৱা বুলিও শ্ৰীমোদীয়ে আনন্দ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে সাধাৰণ লোকক তেওঁলোকৰ স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী সামাজিক মাধ্যমত মাই প্ৰডাক্ট মাই প্ৰাইড হেছটেগৰ সৈতে আপলোড কৰিবলৈ আহ্বান জনায়।

শ্ৰীমোদীয়ে কয় যে, পূৰ্বে খদ্দৰ ব্যৱহাৰ নকৰা লোকেও এতিয়া অতি গৌৰৱেৰে খদ্দৰৰ কাপোৰ পৰিধান কৰিবলৈ লৈছে। তেওঁ আনন্দ প্ৰকাশ কৰি কয় যে, দেশৰ খাদী গ্ৰাম্য উদ্যোগৰ ব্যৱসায়ে ৪০০ শতাংশ বৃদ্ধিপ্ৰাপ্ত হৈ প্ৰথমবাৰৰ বাবে ডেৰ লাখ কোটি টকাৰ ঘৰ অতিক্ৰম কৰিছে। খাদী আৰু হস্ততাঁতৰ বৰ্ধিত বিক্ৰীয়ে এই ক্ষেত্ৰখনক নতুন কৰ্মসংস্থাপনৰ সুবিধাৰ সৃষ্টি কৰিছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ বৰ্তমানলৈকে খাদী কাপোৰ নিকিনা শ্ৰোতাসকলক এতিয়াৰে পৰা খাদী কাপোৰ কিনা আৰম্ভ কৰিবলৈ পৰামৰ্শ দিয়ে।  তেওঁ কয় যে, আগষ্ট হৈছে খাদী কাপোৰ কিনাৰ বাবে উত্তম সময়।

মন কী বাতৰ এই খণ্ডত প্ৰধানমন্ত্ৰীয়ে ফ্ৰান্সৰ পেৰিছত আৰম্ভ হোৱা অলিম্পিক গেমছৰ প্ৰসংগও উত্থাপন কৰে। বিশ্বৰ ক্ৰীড়া প্ৰেমীক উদ্বেলিত কৰি অহা অলিম্পিক গেমছসমূহে ভাৰতীয় খেলুৱৈসকলক বিশ্বৰ মঞ্চত তিৰংগ পতাকা উত্তোলন কৰিবলৈ সুবিধা প্ৰদান কৰি আহিছে। তেওঁ খেলুৱৈসকলক উৎসাহিত কৰাৰ লগতে ভাৰতৰ জয়গান গাবলৈ দেশবাসীক আহ্বান জনায়। শ্ৰীমোদীয়ে কয় যে, অলপতে হৈ যোৱা আন্তৰ্জাতিক গণিত অলিম্পিয়াদত ভাৰতীয় শিক্ষাৰ্থীসকলে সুন্দৰ প্ৰদৰ্শন কৰিছে। এই অলিম্পিয়াদত ভাৰতীয় দলটোৱে ৪ টা সোণৰ

আৰু এটা ৰূপৰ পদক লাভ কৰি শীৰ্ষ ৫ টা দলৰ ভিতৰত স্থান লাভ কৰে। আন্তৰ্জাতিক গণিত অলিম্পিয়াদত এইবাৰ এশ খনৰো অধিক দেশৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে এই অলিম্পিয়াদত অংশগ্ৰহণেৰে দেশলৈ গৌৰৱ কঢ়িয়াই অনা শিক্ষাৰ্থীসকল ক্ৰমে পুণেৰ আদিত্য ভেংকত গণেশ আৰু সিদ্ধাৰ্থ চোপ্ৰা, দিল্লীৰ অৰ্জুন গুপ্তা, গ্ৰেটাৰ নইডাৰ কানৱ টালোৱাৰ, মুম্বাইৰ ৰুছিল মাথুৰ, গুৱাহাটীৰ আনন্দ ভাদুৰীৰ নাম উল্লেখ কৰে। তেওঁ এই অলিম্পিয়াদত পদকপ্ৰাপ্তসকলৰ সৈতে তেওঁলোকৰ অভিজ্ঞতাৰ সন্দৰ্ভত মত বিনিময় কৰে। ৰুছিল মাথুৰ আৰু আনন্দ ভাদুৰীয়ে কেনেকৈ এজন শিক্ষাৰ্থীয়ে গণিতৰ প্ৰতি থকা ভয় আঁতৰ কৰি বিষয়টোৰ প্ৰতি আগ্ৰহ বঢ়াই তুলিব পাৰে, সেই বিষয়ে প্ৰধানমন্ত্ৰীক বিৱৰি কয়। আদিত্য ভেংকত গণেশ আৰু সিদ্ধাৰ্থ চোপ্ৰাই কয় যে তেওঁলোক সৰুৰে পৰাই গণিতৰ প্ৰতি আগ্ৰহী আছিল। আনহাতে অৰ্জুন গুপ্তা আৰু কানৱ টালোৱাৰে অলিম্পিয়াদৰ বাবে প্ৰস্তুতি আৰু কঠোৰ পৰিশ্ৰমৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীক অৱগত কৰায়। শ্ৰীমোদীয়ে আটাইকেইজনকে উজ্বল ভৱিষ্যত কামনা কৰি দেশক গৌৰৱান্বিত কৰাৰ বাবে প্ৰশংসা কৰে।

ড্ৰাগছে সৃষ্টি কৰা ভয়াবহ প্ৰত্যাহ্বানৰ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে প্ৰতিটো পৰিয়ালকে তেওঁলোকৰ সন্তান ড্ৰাগছৰ প্ৰতি আসক্ত হৈ পৰিব পাৰে বুলি আশংকাত দিন কটাবলগীয়া হৈছে। এই ক্ষেত্ৰত তেওঁ ড্ৰাগছৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে চৰকাৰে গ্ৰহণ কৰা মানস শীৰ্ষক বিশেষ কাৰ্যসূচীৰ উল্লেখ কৰে। মানসৰ হেল্পলাইন আৰু পোৰ্টেল অলপতে মুকলি কৰা হৈছে। লগতে টোল ফ্ৰি নম্বৰ ১৯৩৩ ও প্ৰকাশ কৰা হৈছে। শ্ৰীমোদীয়ে কয় যে, পুনৰ সংস্থাপনৰ বিষয়ে কোনো উপদেশ বা তথ্য বিচাৰি যিকোনো লোকে এই টোল ফ্ৰি নম্বৰত ফোন কৰিব পাৰিব। তেওঁ কয় যে, যদিহে কোনো লোকে ড্ৰাগছ বিষয়ক কোনো তথ্য লাভ কৰে তেন্তে তেওঁলোকে এই নম্বৰত ফোন কৰি মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোক এই তথা জনাব পাৰিব। মানসত জনোৱা যিকোনো তথ্য গোপনে ৰখা হব বুলিও প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ ভাৰতক ড্ৰাগছ মুক্ত কৰাত জড়িত সকলো লোক আৰু সংস্থাক মানস হেল্পলাইন ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

কাইলৈ সমগ্ৰ বিশ্বতে আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উদযাপন কৰা হব। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়েকয় যে, বাঘ ভাৰতীয় সংস্কৃতিৰ অপৰিহাৰ্য্য অংশ হিচাপে বিবেচিত হৈ আহিছে আৰু অৰণ্যৰে পৰিবেষ্টিত গাওঁসমূহত বাস কৰা লোকসকলে বাঘৰ সৈতে কিদৰে সমন্বয়ৰে বাস কৰিব পাৰি সেয়া ভালদৰে জানে। তেওঁ দেশৰ ভিন্ন প্ৰান্তত বাঘ আৰু মানুহৰ মাজত বাঢ়ি অহা সংঘাটত উদ্বিগ্নতা প্ৰকাশ কৰে। বাঘ আৰু মানুহৰ মাজত সংঘাট দূৰীকৰণৰ ক্ষেত্ৰত ৰাজস্থানৰ কুলহাৰী বেণ্ড পঞ্চায়তে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ কথা উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে স্থানীয় লোকসকলে বাঘ অধ্যুষিত অৰণ্যৰ গছ নকটাৰ বাবে শপত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে বাঘ সংৰক্ষণত ৰাজহুৱা অংশগ্ৰহণৰ ভূমিকাত আনন্দ প্ৰকাশ কৰে। তেওঁ গৌৰৱেৰে উল্লেখ কৰে যে, ভাৰতত বিশ্বৰ ৭০ শতাংশ বাঘে বাস কৰে।

প্ৰধানমন্ত্ৰীয়ে দেশৰ বনাঞ্চলৰ বৃদ্ধিতো সন্তোষ প্ৰকাশ কৰে। এক পেৰ মা কে নাম অভিযানৰ অংশ হিচাপে বহুসংখ্যক লোকে গছ পুলি ৰোপণ কৰা কাৰ্যত তেওঁ আনন্দ প্ৰকাশ কৰে। এই অভিযানৰ অধীনত ইন্দোৰত এদিনতে ২ লাখৰো অধিক গছপুলি ৰোপণ কৰা হয় বুলি উল্লেখ কৰে প্ৰধানমন্ত্ৰীয়ে।

প্ৰধানমন্ত্ৰীয়ে শ্ৰোতাসকলক ১৫ আগষ্টৰ স্বাধীনতা দিৱস উপলক্ষে হৰ ঘৰ তিৰংগা অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, জাতীয় পতাকাৰ গৌৰৱ তুলি ধৰাৰ ক্ষেত্ৰত হৰ ঘৰ তিৰংগা অভিযান সম্প্ৰতি বিশেষ উৎসৱত পৰিণত হৈছে। স্বাধীনতা দিৱসৰ ভাষণত তেওঁ যাতে বিভিন্ন বিষয় সামৰি লব পাৰে, তাৰ বাবে মাই গভ অথবা নমো এপৰ জৰিয়তে পৰামৰ্শ আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আহ্বান জনায়।

০০০০

নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কালিৰে পৰা বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ এখন দুদিনীয়া বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ লগতে অন্যান্য জ্যেষ্ঠ বিজেপি নেতাসকলে অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে আজি মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ সৈতে কেইবাটাও বিষয়ৰ ওপৰত আলোচনা কৰিব। বৈঠকৰ প্ৰথম দিনটোত উপস্থিত থাকি প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে, দেশত সুশাসন বজাই ৰখাৰ লগতে জনসাধাৰণৰ আশা আকাংখা পূৰণ কৰিববলৈ বিজেপি দলটোৱে অক্লান্তভাৱে কাম কৰি আছে। লোকসভা নিৰ্বাচন আৰু কেন্দ্ৰীয় বাজেট দাখিলৰ কিছুদিনৰ পিছত অনুষ্ঠিত হোৱা এই বৈঠকৰ মূল লক্ষ্য হৈছে ৰাজ্যসমূহৰ আঁচনিসমূহৰ পৰ্যালোচনা কৰা তথা কেন্দ্ৰীয় চৰকাৰৰ কল্যাণমূলক পদক্ষেপসমূহ জনসাধাৰণক যোগান ধৰা।

০০০০

মহিলাৰ এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন আজি বিয়লি শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত হব। ভাৰতীয় দলটোৱে অষ্টমবাৰৰ বাবে খিতাপ দখলৰ চেষ্টা কৰিব। ভাৰতৰ স্মৃতি মান্ধানা, আৰু ছেফালী বাৰ্মা সুন্দৰ ফৰ্মত থকাৰ পৰিপ্ৰেক্ষিতত আজি ফাইনেলত ভাৰত ফেভৰেটৰূপে অৱতীৰ্ণ হব।

০০০০

ঃঃ সমাপ্ত ঃঃ